# 2014

## ASSAMESE

## ( Major )

## Paper : 6.5

## ( ছন্দ আৰু অলংকাৰ )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) অসমীয়া কাব্যৰ ছন্দ কিহে সৃষ্টি কৰে?

(খ) "তোমাৰ মুখেই পদুম।" ইয়াত কি অলংকাৰ হৈছে?

(গ) মাত্রা কি?

(ঘ) বৃত্ত শব্দটো কেতিয়া ব্যৱহাৰ কৰা হয়?

(ঙ) শ্লেষ শব্দৰ অৰ্থ কি?

(চ) ছেদ বুলিলে কি বুজা?

(ছ) অসমীয়া ছন্দৰ মূল উপকৰণ কি?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) মাত্ৰা কি, বুজাই লিখা।

(খ) উচ্চাৰিত ধ্বনি প্ৰবাহত সাময়িক বিৰতিৰ দুটা কাৰণ লিখা।

(গ) মালোপমা বুলিলে কি বুজা? উদাহৰণ দিয়া।

(ঘ) অনুপ্ৰাসৰ দুটা ভাগ লিখা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

ছবি; ঝুমুৰা; কুসুমমালা; মুক্তক ছন্দ; যমক; ভ্ৰান্তিমান।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) কাব্যত ছন্দৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(খ) "যতি ধমনীৰ স্পন্দনৰ দৰে, সি তাৰ নিজৰ প্ৰকৃতিৰ দ্বাৰাহে নিয়ন্ত্ৰিত হয়।" এই কথাষাৰ ফঁহিয়াই আলোচনা কৰা।

(গ) শব্দালংকাৰ বুলিলে কি বুজা? ইয়াৰ যি কোনো দুটা ভাগ সম্পৰ্কে নিদৰ্শনসহ আলোচনা কৰা।

(ঘ) কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(ঙ) উপমা আৰু ৰূপকৰ পাৰ্থক্য কেনেদৰে নিৰ্ণয় কৰা হয়, উদাহৰণৰ জৰিয়তে সেয়া প্ৰদৰ্শন কৰা।

(চ) অসমীয়া কবিতাত মুক্তক ছন্দৰ প্ৰয়োগ দেখুওৱা।

★★★